জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪০/২০২০

তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক’ভিড-১৯ ৰ সংক্ৰমণৰ জটিল সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাৰ বিভাগ হিচাপে জনসংযোগ বিভাগে লোৱা ভূমিকাৰ শলাগ ল’লে মুখ্যমন্ত্ৰীয়ে

### জিলা আৰু মহকুমাৰ স্থানীয় সাংবাদিসকসকলৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি এক সুন্দৰ নেটৱৰ্কিং গঢ়ি তোলাৰ পদক্ষেপ ল’বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## তথ্যৰ কোনো বন্ধৰ দিন নাথাকে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ জুনঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দিছপুৰ লাষ্টগেটস্থিত মুখ্য কাৰ্যালয়ত উপস্থিত হৈ বিভাগটোৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ উপৰি বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। মত-বিনিময় কৰি মুখ্যমন্ত্ৰীয়ে ক’ভিড-১৯ ৰ সংক্ৰমণৰ জটিল সময়ত বিভাগটোৱে এক অত্যাৱশ্যকীয় বিভাগ হিচাপে জনসাধাৰণক অহৰ্নিশে সজাগ আৰু সচেতন কৰাৰ দিশত লোৱা ভূমিকাৰ শলাগ লয়। বিভাগটোৰ বিষয়াসকলৰ সৈতে ইয়াৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ বাবে অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে জনসংযোগ হ’ল চৰকাৰৰ চকু আৰু কাণৰ লেখীয়া। চৰকাৰৰ নীতি আৰু আঁচনিসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে জনসাধাৰণৰ মতামত আৰু অভাৱ-অভিযোগসমূহৰ বিষয়ে চৰকাৰক অৱগত কৰোৱাৰ দিশত এই বিভাগটোৰ ভূমিকা অপৰিহাৰ্য। বৰ্তমানৰ তথ্য আৰু প্ৰযুক্তিৰ যুগত বিভাগটোৱে সম্পূৰ্ণ পেছাদাৰী মানসিকতাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰতিখন জিলা আৰু মহকুমাত থকা সাংবাদিকসকলৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি চৰকাৰী আঁচনি আৰু বা-বাতৰিসমূহৰ বহুল প্ৰচাৰৰ পদক্ষেপ ল’বলৈও বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী আঁচনিসমূহৰ তৃণমূল পৰ্যায়ৰ ৰূপায়ণ তথা উপযুক্ত তথ্য পোৱাৰ দিশত এই সম্পৰ্কই সহায় কৰিব আৰু আঁচনিসমূহ ভালদৰে ৰূপায়ণ কৰাৰ দিশতো এই পদক্ষেপে সহায় কৰিব।

তথ্যৰ কোনো বন্ধৰ দিন নাথাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই বিভাগটোৱে চৰকাৰৰ তথ্য সমূহৰ সময় সাপেক্ষে সৰবৰাহৰ দিশত দিনে-নিশাই কাম কৰি জনসাধাৰণলৈ সম্পূৰ্ণ পেছাদাৰী মনোভাৱেৰে কাম কৰাৰ বাবে দৃঢ়তাৰে পদক্ষেপ ল’ব লাগিব কয়। মুখ্যমন্ত্ৰীয়ে লগতে ছ’চিয়েল মিডিয়াৰ অপপ্ৰয়োগ সম্পৰ্কত জনসাধাৰণক বিশেষকৈ যুৱ প্ৰজন্মক তৃণমূল পৰ্যায়ত সজাগ আৰু সচেতন কৰাৰ দিশত বিভাগটোৱে

অগ্ৰণী ভূমিকা ল'ব লাগিব বুলিও কয়। তথ্য আৰু জনসংযোগ বিভাগৰ সক্ৰিয় উপস্থিতি যাতে অসমৰ সকলো অঞ্চলৰ জনসাধাৰণে উপলব্ধি কৰিব পাৰে আৰু বিভাগটো যাতে চৰকাৰৰ এক অন্যতম বিভাগ হিচাপে জনসাধাৰণৰ হৃদয় জিনিব পাৰে তেনে মানসিকতাৰে উদ্ভাৱনীমূলক কামেৰে আগুৱাই যোৱাৰ পৰিকল্পনা কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ এই প্ৰতিযোগিতামুখী যুগৰ লগত খাপখোৱা কৰ্মপদ্ধতি আৰু পৰিকল্পনাৰে জনসংযোগে ৰাইজৰ সেৱা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ মাজত যথেষ্ট সমল, দক্ষতা, যোগ্যতা আছে বুলি উল্লেখ কৰি এই দক্ষতা আৰু যোগ্যতাৰ উপযুক্ত প্ৰয়োগেৰে বিভাগটোৱে এক অগ্ৰণী বিভাগ হিচাপে স্থান লাভ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰ্যালোচনামূলক বৈঠকতে মুখ্যমন্ত্ৰীয়ে তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰাৰ উপৰি ভৱিষ্যতৰ কৰ্ম আঁচনিৰ বিষয়েও পৰ্যালোচনা কৰে। তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা এই বৈঠকত বিভাগৰ সঞ্চালক অনুপম চৌধুৰীয়ে বিভাগৰ বিভিন্ন কাম-কাজ, ভৱিষ্যতৰ পৰিকল্পনা, ক'ভিড-১৯ ৰ সময়ত বিভাগটোৱে জনসাধাৰণক সজাগ আৰু সচেতন কৰা, ভুৱা বাতৰি পৰিৱেশনৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাৰাজি সামৰি এক প্ৰেজেন্টেশ্যনো আগবঢ়ায়।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, তথ্য আৰু জনসংযোগ বিভাগৰ যুটীয়া সচিব অৰুন্ধতী চক্ৰৱৰ্তীৰ লগতে সঞ্চালকালয়ৰ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ৰ বিৰুদ্ধে অসম জনসাধাৰণে দৃঢ়তাৰে যুঁজ দিছে। এইখিনি সময়ত অসম চৰকাৰেও জনসাধাৰণলৈ উপযুক্ত সেৱা আগবঢ়োৱাৰ যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছে। অসম চৰকাৰৰ স্বাস্থ্য, গৃহ বিভাগ, পৰিবহন, জনস্বাস্থ্য কৰিকৰী বিভাগ, অগ্নিনিৰ্বাপন ইত্যাদি বিভাগৰ লগতে তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলেও উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এই সময়ছোৱাত এই বিভাগৰ কৰ্মকৰ্তাসকলেও অসমৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ দিশত বিশেষ ভূমিকা পালন কৰিছে। বিভিন্ন অপপ্ৰচাৰ তৎকালীনভাৱে নাইকীয়া কৰাৰ বাবেও বিভাগে পদক্ষেপ লৈছে। জনসাধাৰণক এই ক্ষেত্ৰত সজাগ আৰু সচেতন কৰি তুলি আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে আপত্তিজনক মন্তব্য আৰু বিবৃতি, ঘৃণাৰ বাতৰি বিয়পোৱা ৰোধ কৰাৰ দিশত তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰি অসমৰ ৰাইজক সজাগ আৰু সচেতন কৰাৰ দিশত বিভাগটোৱে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ বিভিন্ন জিলা তথা মহকুমাত থকা জনসংযোগৰ কৰ্মকৰ্তাসকলে স্থানীয় সাংবাদিসকলৰ সহযোগত এই সময়ছোৱাত জনসচেতনতামূলক কামত ব্ৰতী হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰৰ যিমান বা-বাতৰি আছে সেইবোৰ যাতে তৃণমূল পৰ্যায়ৰ জনসাধাৰণে জানিব পাৰে তাৰ বাবে বিভাগৰ কৰ্মকৰ্তাসকলে সক্ৰিয় পদক্ষেপ ল'ব লাগিব। এই ক্ষেত্ৰত প্ৰতিখন জিলা আৰু মহকুমাৰ স্থানীয় সাংবাদিকসকলৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি চৰকাৰী আঁচনি ৰূপায়ণৰ উপযুক্ত

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

তথা সঠিক তথ্য আহৰণৰ দিশতো জনসংযোগৰ কৰ্মকৰ্তাসকলে নিষ্ঠাৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আগন্তুক দিনত এই বিভাগটোৱে ৰাজ্যখনৰ ৩ কোটি ৩০ লাখ জনসাধাৰণক চৰকাৰী বিভিন্ন আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত বিভিন্ন তথ্য পৰিৱেশনেৰে এক অগ্ৰণী বিভাগ হিচাপে পৰিগণিত হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰৰ বিভিন্ন সাফল্যৰ বা-বাতৰিৰ লগতে আঁচনিসমূহৰ তৃণমূল পৰ্যায়ত ৰূপায়ণ সন্দৰ্ভত চৰকাৰক অৱগত কৰোৱাৰ বাবে দায়বদ্ধতাৰে বিভাগটোৱে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এইবোৰ কাম-কাজেৰে বিভাগটোৱে ৰাইজৰ মাজত প্ৰকৃতাৰ্থত জনসংযোগ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ যুগ তথ্য-প্ৰযুক্তিৰ যুগ বুলি উল্লেখ কৰি চৰকাৰৰ বিভিন্ন বা-বাতৰিৰ বিষয়ে ৰাজ্যখনৰ প্ৰতিগৰাকী জনসাধাৰণ যাতে অৱগত হয় তাৰ বাবে বিভাগটোৱে নিষ্ঠাৰে কাম কৰিব লাগিব। এই ক্ষেত্ৰত কাৰ্যালয়টোৱে দক্ষতা আৰু নিষ্ঠা তথা বৃত্তিগত উৎকৰ্ষতাৰে সেৱা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**বঃভাঃ/ পুঃডেঃ**
**৩/৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in